**ষ্টেট অৱ নাগালেণ্ড আৰু আনএজন**

**বনাম**

**টুলভি কিবামী আৰু আনএজন**

অক্টোবৰ **১৬, ২০০৩**

[মুখ্য ন্যায়াধীশ ভি. এন. খাৰে আৰু ন্যায়াধীশ এছ. বি. সিনহা]

*ৰিভিও(পুনৰীক্ষণ) কৰিবলৈ- পৰৱৰ্তী ঘটনাৰ ৰক্ষণাবেক্ষণযোগ্যতা- উচ্চ ন্যায়ালয়- লেটৰ্ছ পেটেণ্ট আপীল- লেটৰ্ছ পেটেণ্ট বেঞ্চে নাগালেণ্ড অভিযান্ত্রিক সেৱা নিয়ম সংশোধন কৰাৰ নিৰ্দেশ দিয়ে, যাতে অতিৰিক্ত মুখ্য অভিযন্তা পদত পদোন্নতিৰ বাবে ডিপ্লোমাধাৰী ব্যতিক্ৰমী প্ৰতিভাশালী ব্যক্তিসকলৰ যোগ্যতাৰ ক্ষেত্ৰত অন্তৰ্ভুক্তি কৰিব পাৰি- চৰকাৰে নিয়ম সংশোধন কৰে আৰু বিষয়াজনক পদোন্নতি দিয়ে- ৰিভিও(পুনৰীক্ষণ) আবেদন দাখিল কৰা- খণ্ডপীঠে পুনৰীক্ষণৰ অনুমতি দিয়া আৰু পুনৰীক্ষণৰ অধীনত পূৰ্বৰ ৰায়দান বাতিল কৰা- উপস্থাপন কৰে, ডিভিজন বেঞ্চ(খণ্ড বিচাৰপীঠ)ৰ ৰায়ৰ ফলস্বৰূপে পৰৱৰ্তী ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি পুনৰীক্ষণ আবেদনখন বহনযোগ্য নাছিল- প্ৰকৃততে লেটৰ্ছ পেটেণ্ট বেঞ্চৰ ৰায়ৰ ওপৰত কাম কৰা হৈছিল আৰু ই নিষ্ফল হৈ গৈছিল- পুনৰীক্ষণ আবেদনখন অৰ্থহীন আছিল আৰু এইখন বিবেচনা কৰা উচিত নাছিল লগতে গুণাগুণৰ ওপৰত সিদ্ধান্ত লোৱা উচিত নাছিল।*

*সেৱা আইনঃ*

*নাগালেণ্ড অভিযান্ত্রিক সেৱা নিয়ম, ১৯৭৭ (শ্ৰেণী I আৰু II) অনুসৰি)- অতিৰিক্ত মুখ্য অভিযন্তা- পদোন্নতি- উচ্চ ন্যায়ালয়ৰ সংশোধিত নিয়মৰ নিৰ্দেশ অনুসৰি অতিৰিক্ত মুখ্য অভিযন্তা হিচাপে পদোন্নতিৰ বাবে ব্যতিক্ৰমী প্ৰতিভাশালী ডিপ্লোমাধাৰীৰ যোগ্যতাৰ মাপকাঠীৰ গোচৰত অন্তৰ্ভুক্ত কৰা হৈছে- সেই অনুসৰি বিষয়া পদোন্নতি- পিছত, পুনৰীক্ষণ আবেদনৰ অনুমতি দিয়া হয় আৰু পুনৰীক্ষণৰ অধীনত ৰায় বাতিল কৰা হয়- উপস্থাপন কৰে, পুনৰীক্ষণ আবেদন*

*বহনযোগ্য নাছিল- উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন ৰায় বাতিল কৰা হয়- অৱশ্যে, গুণাগুণৰ ভিত্তিত, যোগ্যতা সম্পৰ্কীয় আইনৰ সকলো প্ৰশ্ন আলোচনাৰ বাবে মুকলি ৰখা হ'ল।*

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ- দেৱানী আপীল নং ২৫৩৩/১৯৯৮।

অসমৰ গৌহাটী উচ্চ ন্যায়ালয়ৰ ডব্লিউ. এ. নং ১৪২- ১৯৩৩ৰ পুনৰীক্ষণ আবেদন নং ৩১-৯৭ত ০৮-০১-৯৮তাৰিখৰ বিচাৰ আৰু আদেশৰ পৰা।

লগতে

চি. এ. নং ২৫৩৬- ১৯৯৮।

আপীলকাৰীৰপক্ষত এচ. ৰবীন্দ্ৰ ভাট, নবীন আৰ. নাথ, সঞ্জয় শৰাৱত, শ্ৰীমতী হেটু আৰোৰা, শ্ৰীমতী ললিত মোহিনী ভাট, বিজয় কুমাৰ আৰু শ্ৰীমতী ভি. মোহনা।

উত্তৰদাতাৰপক্ষত বিজয় হানচাৰিয়া, সুনীল কুমাৰ জৈন আৰু জয়েশ কে. ইউ.।

আদালতৰ নিম্নলিখিত নিৰ্দেশ প্ৰদান কৰা হৈছে-

নাগালেণ্ড ৰাজ্যত, জনস্বাস্থ্য আৰু অভিযান্ত্ৰিক বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা পদলৈ অধীক্ষক অভিযন্তাৰ পদোন্নতি নাগালেণ্ড অভিযান্ত্ৰিক সেৱা নিয়ম, ১৯৭৭ (শ্ৰেণী I আৰু II) নামেৰে জনাজাত সেৱা নিয়মৰ(পিছলৈ "দ্যা ৰুলচ" বুলি উল্লিখিত) দ্বাৰা পৰিচালিত হয়। চি. এ. নং ২৫৩৩-১৯৯৮ত ২নং উত্তৰদাতা (আৰু চি.এ. নং ২৫৩৬-১৯৯৮ৰ আপীলকাৰী) এজন ডিপ্লোমাধাৰী আৰু প্ৰাসংগিক সময়ত কাৰ্য্যবাহী অধীক্ষক অভিযন্তা হিচাপে কাম কৰি আছিল। ২৬-০৩-১৯৯১ত নাগালেণ্ড চৰকাৰে উত্তৰদাতা নং২ক অতিৰিক্ত মুখ্য অভিযন্তা হিচাপে পদোন্নতি দিছিল। এই পদোন্নতিক সংবিধানৰ ২২৬নং অনুচ্ছেদৰ অধীনত এখন আবেদনৰ জৰিয়তে ডিগ্ৰীধাৰী ১নং উত্তৰদাতাই প্ৰত্যাহ্বান জনাইছিল এই যুক্তিত যে, উত্তৰদাতা নং২ অতিৰিক্ত মুখ্য অভিযন্তাৰ পদত পদোন্নতিৰ বাবে যোগ্য নাছিল, কিয়নো উক্ত পদটো ১০০শতাংশই ডিগ্ৰীধাৰীসকলৰ মাজৰ পৰা পূৰণ কৰিব লাগিব। উচ্চ ন্যায়ালয়ৰ বিদ্বান একক ন্যায়াধীশে উত্তৰদাতা নং১ৰ এই যুক্তি গ্ৰহণ কৰে। ফলস্বৰূপে, উত্তৰদাতা নং ২ৰ পদোন্নতি আঁতৰাই ৰখা

হৈছিল। ক্ষুণ্ণ হৈ নাগালেণ্ড ৰাজ্যই এখন লেটাৰ্চ পেটেণ্ট আপীল আবেদন কৰিছিল, যিখন অনুমোদিত হৈছিল আৰু বিদ্বান একক ন্যায়াধীশৰ আদেশ আৰু ৰায় বাতিল কৰা হয়। খণ্ড বিচাৰপীঠে আপীলটো গ্ৰহণ কৰাৰ সময়ত ডিপ্লোমাধাৰীসকলক প্ৰশংসনীয় সেৱা আগবঢ়োৱাৰ ভিত্তিত প্ৰাসঙ্গিক নিয়মৰ অধীনত অতিৰিক্ত মুখ্য অভিযন্তা পদলৈ পদোন্নতি দিব পাৰি নে নাই সেই বিষয়ে সিদ্ধান্ত ল'বলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। এইকথা বিতৰ্কিত নহয় যে, উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ ফলস্বৰূপে, চৰকাৰে ১৯৯৭চনত এটা সিদ্ধান্ত লৈছিল, যাৰ দ্বাৰা চৰকাৰে প্ৰাসংগিক শাসকক তেওঁলোকৰ প্ৰশংসনীয় সেৱা প্ৰদান কৰাৰ ভিত্তিত উপযুক্তভাৱে সংশোধন কৰিছিল। এইটো বিতৰ্কিত নহয় যে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ ফলস্বৰূপে, চৰকাৰে ১৯৯৭চনত এটা সিদ্ধান্ত লৈছিল যাৰ জৰিয়তে চৰকাৰে প্ৰাসংগিক নিয়মবোৰ যথাযথভাৱে সংশোধন কৰিছিল আৰু মূল অনুমোদিত নিয়মৰ সৈতে সংগতি ৰাখিছিল, যাতে ভুতলক্ষীপ্ৰভাৱৰ সৈতে অতিৰিক্ত মুখ্য অভিযন্তা পদলৈ পদোন্নতিৰ বাবে ডিপ্লোমাধাৰী ব্যতিক্ৰমী প্ৰতিভাশালী ব্যক্তিৰ গোচৰৰ যোগ্যতাৰ প্ৰসংগ অন্তৰ্ভুক্ত কৰিব পাৰি অৰ্থাৎ ১২-০৯-১৯৯৬ৰ পৰা। বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি, উত্তৰদাতা নং ২ক অতিৰিক্ত মুখ্য অভিযন্তা পদলৈ পদোন্নতি দিয়া হৈছিল। সেইসময়তে, উত্তৰদাতা নং ১-এ ০৪-০৯-১৯৯৫তাৰিখৰ নিৰ্দেশ আৰু ৰায়ৰ পুনৰীক্ষণৰ বাবে খণ্ড বিচাৰপীঠৰ আগত আবেদন দাখিল কৰিছিল। খণ্ড বিচাৰপীঠে পুনৰীক্ষণ আবেদনখনৰ অনুমতি দিয়ে আৰু আপীল নাকচ কৰে। এইটো ০৮-০১-১৯৯৮তাৰিখৰ উচ্চ ন্যায়ালয়ৰ উক্ত ৰায় আৰু নিৰ্দেশৰ বিৰুদ্ধে, আপীলকাৰীসকলে আমাৰ সন্মুখত আপীল কৰিছে।

পক্ষসমূহৰ বিদ্বান পৰামৰ্শৰ পিছত, আমি এই মতপোষণ কৰোঁ যে, খণ্ড বিচাৰপীঠৰ ৰায়দানৰ ফলস্বৰূপে সংঘটিত হোৱা পৰৱৰ্তী ঘটনাসমূহৰ প্ৰতি লক্ষ্য ৰাখি, উত্তৰদাতা নং ১ৰ পুনৰীক্ষণ আবেদনখন ব্যৰ্থ হৈছিল। দৰাচলতে লেটাৰ্ছ পেটেণ্ট পীঠৰ ৰায়ৰ বিবেচনা কৰা হৈছিল আৰু ই নিষ্ফল হৈ পৰিছিল আৰু পুনৰীক্ষণ আবেদনখন ব্যৰ্থ হৈছিল। এনে পৰিস্থিতিত পুনৰীক্ষণ আবেদনখন বিবেচনা কৰা আৰু যোগ্যতাৰ ভিত্তিত সিদ্ধান্ত লোৱা উচিত নাছিল।

ওপৰোক্ত কাৰণবোৰৰ বাবে, আমি প্ৰত্যাহ্বানৰ অধীনত আদেশ আৰু ৰায়টো একাষৰীয়া কৰিছোঁ। আপীলসমূহৰ অনুমতি দিয়া হয়। অৱশ্যে, যদি তেওঁক এনেদৰে পৰামৰ্শ দিয়া হয় তেন্তে,

উত্তৰদাতা নং ১-এ উত্তৰদাতা নং ২ৰ পদোন্নতিক নতুনকৈ ভাৰতৰ সংবিধানৰ ২২৬নং অনুচ্ছেদৰ অধীনত এক পৃথক আবেদনেৰে প্ৰত্যাহ্বান জনাব পাৰে। যদি, এনে আবেদন দাখিল কৰা হয়, এইখন বিবেচনা কৰা হ'ব আৰু যোগ্যতাৰ ভিত্তিত সিদ্ধান্ত লোৱা হ'ব। আমি সেই ক্ষেত্ৰত সিদ্ধান্ত লোৱাৰ বাবে আইনৰ সকলো প্ৰশ্ন মুকলি ৰাখিছো।

ব্যয় অবিহনে।

আৰ. পি.

আবেদনৰ অনুমতি দিয়া হৈছে।

---------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”